# 1 (Sem–6/FYUGP) ASS 61 MJ

## 2026

ASSAMESE

( Major )

Paper : ASS0600104

( তুলনামূলক ভাৰতীয় সাহিত্য )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) ইংৰাজী 'comperative literature' বুজাবলৈ ৰবীন্দ্ৰনাথ ঠাকুৰে কি শব্দ ব্যৱহাৰ কৰিছিল ?

(খ) তুলনামূলক সাহিত্যৰ যি কোনো এটা সম্প্ৰদায় (school)ৰ নাম লিখা।

(গ) চণ্ডীদাসে ৰচনা কৰা এখন কাব্যৰ নাম লিখা।

(ঘ) জয়শংকৰ প্ৰসাদৰ 'ভাৰত মহিমা'ৰ লগত তুলনা কৰিব পৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ দ্বাৰা ৰচিত এটা কবিতাৰ নাম লিখা।

(ঙ) প্ৰেমচন্দৰ প্ৰকৃত নাম কি ?

(চ) *The Artist of Disappearance* গ্ৰন্থখনৰ ৰচক কোন?

(ছ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনত হোসেন মিঞাই বসতি-স্থল কৰিব বিচৰা দ্বীপটোৰ নাম কি?

(জ) 'ঊনৈশ পূৰা দুকঠা' নামেৰে ভামতী দেৱীয়ে অসমীয়ালৈ অনুবাদ কৰা উপন্যাসখনৰ মূল ভাষাত থকা নামটো কি?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) 'Indian literature' শব্দটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল আৰু তাৰ দ্বাৰা কোনখিনি সাহিত্যক বুজোৱা হৈছিল?

(খ) ভাৰতৰ কোনখন বিশ্ববিদ্যালয়ে, কোন চনত প্ৰথমে তুলনামূলক সাহিত্যৰ পাঠ্যক্ৰম খুলিছিল?

(গ) বিদ্যাপতিয়ে অৱহট্‌ঠ ভাষাত ৰচনা কৰা দুখন কাব্যৰ নাম লিখা।

(ঘ) হিন্দী সাহিত্যত ছায়াবাদী কাব্যৰ প্ৰৱৰ্তক বুলি কাক কোৱা হয়? তেওঁ ৰচনা কৰা এখন কাব্যৰ নাম লিখা।

(ঙ) "ওগো, তুমি কোথা যাও কোন্ বিদেশে।" 'সোনাৰ তৰী' কবিতাটোত এই কথাষাৰ কোনে, কাক কৈছে?

(চ) 'শিশু' গল্পটিত গংগুৱে কাক বিয়া কৰাইছিল? গংগুৱে বিয়া কৰোৱাৰ পূৰ্বে তেওঁ ক'ত বাস কৰিছিল?

(ছ) “ঠাকুৰ আমাৰ ঘৰে তাহাৰ নিজেৰ সেবাৰ জন্য লক্ষ্মীকে পাঠাইয়া দিয়াছেন।” কথাষাৰৰ বক্তা কোন? লক্ষ্মী শব্দটোৰে কাক বুজোৱা হৈছে?

(জ) ‘সংগত’ গল্পটোৰ ওস্তাদজনৰ নাম কি? তেওঁ কাক তানপুৰা তৈয়াৰ কৰিবলৈ দিছিল?

(ঝ) ৰামচন্দ্ৰ মংগৰাজৰ জমিদাৰীৰ নাম কি? তাত কিমান মাটি আছিল?

(ঞ) ‘পদ্মানদীৰ মাঝি’ উপন্যাসখন কোনখন পত্ৰিকাত প্ৰকাশিত হৈছিল? উপন্যাসখন গ্ৰন্থাকাৰে কেতিয়া প্ৰকাশ হয়?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(খ) তুলনামূলক সাহিত্যত অনুবাদৰ গুৰুত্ব সম্পৰ্কে চমুকৈ লিখা।

(গ) গোবিন্দদাসৰ চমু পৰিচয় দি ‘বৰ্ষাভিসাৰ’ৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(ঘ) জয়শংকৰ প্ৰসাদৰ ‘ভাৰত মহিমা’ কবিতাটোৰ মাজেৰে ভাৰতবৰ্ষৰ গৌৰৱমণ্ডিত ঐতিহ্য কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঙ) ৰাজকিশোৰ ৰায়ৰ ‘বিয়াৰ মুকুট’ গল্পটোত জীৱনৰ বাস্তৱ ৰূপ কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(চ) অনিতা দেশাইৰ 'সংগত' গল্পটোত কথকে কি পৰিস্থিতিত, কেনেকৈ ওস্তাদক লগ পাইছিল, লিখা।

(ছ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনত আঞ্চলিকতাৰ প্ৰকাশ কিদৰে ঘটিছে, চমুকৈ বৰ্ণনা কৰা।

(জ) 'ঊনৈশ পূৰা দুকঠা' উপন্যাসখনৰ চম্পা চৰিত্ৰটোৰ এটি বিশ্লেষণ আগবঢ়োৱা।

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) তুলনামূলক সাহিত্যৰ স্বৰূপ বৰ্ণনা কৰি এই সাহিত্য অধ্যয়নৰ যি কোনো দুটা পদ্ধতিৰ বিষয়ে চমুকৈ লিখা।

(খ) কোনগৰাকী কবিক 'মৈথিল কোকিল' বুলি কোৱা হয়? তেওঁৰ কাব্যকৃতিৰ চমু পৰিচয় দি তেওঁৰ দ্বাৰা ৰচিত তোমাৰ পাঠ্য কবিতাটিৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(গ) প্ৰেমচন্দৰ 'শিশু' গল্পটোত মানৱতাবোধ কিদৰে পৰিস্ফুট হৈছে, বিশ্লেষণ কৰা।

(ঘ) ফকীৰ মোহন সেনাপতিৰ 'ঊনৈশ পূৰা দুকঠা' উপন্যাসখনত গ্ৰাম্য জীৱনৰ চিত্ৰ কেনেদৰে অংকিত হৈছে, আলোচনা কৰা।

(ঙ) 'পদ্মানদীৰ মাঝি' উপন্যাসৰ হোসেন মিঞা আৰু 'ঊনৈশ পূৰা দুকঠা' উপন্যাসৰ ৰামচন্দ্ৰ মংগৰাজ—চৰিত্ৰ দুটাৰ তুলনামূলক আলোচনা কৰা।

★★★